REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 06-10-2023
Time : 18-00 Hrs.

**ASSAMESE EVENING BULLETIN**

::::::::::::::::::::::::::::::::

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নেৰানেপেৰা বৰষুণ অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত বাট-পথ, চৰকাৰী কাৰ্যালয়, বিদ্যালয় আদি কৃত্ৰিম বানত বুৰ গৈছে। বৰঝাৰত থকা আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা বতৰৰ আগলিবতৰা অনুসৰি আজিৰে পৰা ৯ অক্টোবৰলৈ অসমৰ বিভিন্ন স্থানত নেৰানেপেৰা বৰষুণ হৈ থাকিব। বতৰ বিজ্ঞান কেন্দ্ৰটোৱে ৰাজ্যৰ বহুকেইখন জিলাত ৰেড এলাৰ্ট আৰু য়েলো এলাৰ্ট জাৰি কৰিছে। গুৱাহাটীকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত বজ্ৰপাতৰ সৈতে আকাশ ডাৱৰীয়া হৈ থাকিব বুলি কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে। বঙাইগাওঁ, ধুবুৰী, গোৱালপাৰা, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ডিমা হাচাও জিলাত অত্যাধিক বৰষুণৰ আশংকাৰে ৰেড এলাৰ্ট জাৰি কৰা হৈছে। আনহাতে, কোকৰাঝাৰ, চিৰাং, বাক্সা, বৰপেটা, নলবাৰী, ওদালগুৰি, দৰং, কামৰূপ মহানগৰ, মৰিগাওঁ, নগাওঁ, লখিমপুৰ, ধেমাজী, তিনিচুকীয়া, কাৰ্বি আংলং, কাছাৰ, কৰিমগঞ্জ জিলাত হালধীয়া সতৰ্ক জাৰি কৰিছে।

যোৱা ৪৮ ঘণ্টাত নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ বিভিন্ন অঞ্চল জলমগ্ন হৈ আছে। অনিল নগৰ, নবীন নগৰ, জু ৰোড, ৰাজগড়, পূৰ শৰণীয়া আদি অঞ্চলত জীৱন যাত্ৰা ব্যাহত হৈছে। আজি দিনৰ ভাগত অনিল নগৰ অঞ্চলত এন দি আৰ এফ আৰু এছ দি আৰ এফে উদ্ধাৰ আৰু সাহায্য অভিযান চলায়। গৃহ আৰু নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহাল আৰু মেয়ৰ মৃগেন শৰনীয়াই ভৰলমুখ শ্লুইছগেটৰ লগতে শিলসাকো আদি অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। শ্ৰীসিংহালে কয় যে, যোৱা ৪৮ ঘণ্টাত গুৱাহাটী মহানগৰীত প্ৰায় ১৬৮ মিলিমিটাৰ বৰষুণ হৈছিল। ইয়াৰ বিপৰীতে যোৱা ছেপ্তেম্বৰ মাহত ১৭১ মিলিমিটাৰ বৰষুণ হৈছিল।

০০০

ইৰানৰ মানৱ অধিকাৰ কৰ্মী নাৰ্গিছ মহম্মদীলৈ ২০২৩ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। মহিলাৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে শ্ৰীমতী মহম্মদীলৈ এই বঁটা আগবঢ়োৱা হৈছে। শান্তিৰ ন'বেল বঁটা লাভ কৰা উনবিংশগৰাকী মহিলা হিচাপে পৰিগণিত হোৱা নাৰ্গিছ মহম্মদী বৰ্তমান কাৰাগাৰত আছে। তেওঁক ১৩বাৰ গ্ৰেপ্তাৰ, পাঁচবাৰ দোষী সাব্যস্ত কৰাৰ লগতে ৩১ বছৰৰ কাৰাবাস দিয়া হৈছে। ইৰানৰ মহিলাসকলৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে যুঁজ দিয়া আৰু মানৱ অধীকাৰ তথা সকলোৰে স্বাধীনতাৰ হকে মাত মতাৰ বাবে নাৰ্গিছ মহম্মদীলৈ ন'বেল সমিতিয়ে শান্তিৰ ন'বেল বঁটা আগবঢ়োৱাৰ সিদ্ধান্ত লয়।

০০০

কাইলৈ ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰত ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দল আহি উপস্থিত হ'ব। ইউনেস্কোৰ উত্তৰ পূব এছিয়াৰ বিশেষজ্ঞ প্ৰতিনিধি ছিংগাপুৰৰ **লিম চিং ছিয়াঙৰ** নেতৃত্বত এই বিশেষজ্ঞৰ দলটো কাইলৈ মৈদাম ক্ষেত্ৰত উপস্থিত হ'ব। ৩ দিন মৈদাম ক্ষেত্ৰত বিশেষজ্ঞৰ দলটোৱে তথ্য

আৰু সমল সংগ্ৰহৰ লগতে মৈদামৰ ঐতিহাসিক গুৰুত্ব বিচাৰ কৰি প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিয়েই চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাটো নিৰ্ভৰ কৰিব। ইতিমধ্যে মৈদামস্থলীত থকা ২৮ টা মৈদাম ছাফ চিকুণ কৰি তোলা হৈছে। ইউনেস্কোৰ এই বিশেষ প্ৰতিনিধি দলটোক আদৰিবলৈ কেন্দ্ৰীয় পূৰাতত্ব বিভাগ, প্ৰত্নতত্ব সঞ্চালকালয় অসম, শিৱসাগৰ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ লগতে স্থানীয় ৰাইজ সাজু হৈ উঠিছে। উল্লেখযোগ্য যে, অহা ৯ অক্টোবৰৰ বিয়লি পৰ্যন্ত বিশেষজ্ঞৰ দলটোৱে মৈদাম এলেকাৰ বিভিন্ন তথ্য সমল সংগ্ৰহ কৰি ছিংগাপুৰলৈ ৰাওনা হৈছে।

০০০

মাজুলীৰ শ্ৰীৰাম চাপৰিত কাইলৈ ৫০খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় মুকলি কৰা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই চিকিৎসালয়খন উদ্বোধন কৰিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, সাংসদ প্ৰদান বৰুৱা, মাজুলীৰ বিধায়ক ভূৱন গাম আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অৱিনাশ যোশী উপস্থিত থাকিব। এই আয়ুৰ্বেদিক চিকিৎসালয়খনে মাজুলীবাসীক চিকিৎসাৰ ক্ষেত্ৰত বহুখিনি সকাহ দিব বুলি আশা কৰা হৈছে।

০০০

আৰক্ষীয়ে আজি গোপন তথ্যৰ ভিত্তিত অভিযান চলাই কৰিমগঞ্জ জিলাৰ দুটা স্থানৰ পৰা বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ চুৰাইবাৰী আৰু কৰিমগঞ্জ চহৰত অভিযান চলাই আৰক্ষীয়ে ৯ হাজাৰ বটল অবৈধ কফ চিৰাপ আৰু ১১ দশমিক ৫ গ্ৰাম সন্দেহযুক্ত হেৰোইন জব্দ কৰিছে। এই সন্দৰ্ভত আৰক্ষীয়ে ৪ জন লোকক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনল'ড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

০০০

সমাপ্ত